স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-14 NO-278 SATURDAY 14 DECEMBER 2024 (ডিব্রুগড় সংস্কৰণ/D

কণ্ঠশিল্পী ড° আনিমা
লে লিলি দেৱী সোঁৱৰণী
-সংস্কৃতি বঁটা
ড়াৰা ৮ পৃষ্ঠাত

ঘটনা

নচিকৰ

গুণাগুণৰ সূচাংক মান
ডিচেম্বৰ ২০২৪

| ৰ | সূচাংক | গুণাগুণ |
|---|---|---|
| | ১৮৬ | মধ্যমীয়া |
| | — | -- |
| | ১৩৫ | মধ্যমীয়া |
| | ৬৬ | সন্তোষজনক |
| | ৫৫ | সন্তোষজনক |

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

### খোজ অসমৰ উদ্যোগত ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱ

# অসমত পূৰ্ণাংগ পুথিভঁৰালৰ প্ৰয়োজন আছে ঃ ড° সূৰ্যকান্ত হাজৰিকা



**কাৰ্যসূচীত বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ, স্মৃতিগ্ৰন্থ উন্মোচন**

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৩ ডিচেম্বৰ** ঃ 'অসমত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিবলৈ হ'লে পূৰ্ণাংগ পুথিভঁৰালৰ প্ৰয়োজনীয়তা আছে।' আজিৰে পৰা দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড় চহৰৰ নিৰ্মালি গাঁও ৰাজহুৱা ৮ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-14 ☐ NO-278 ☐ SATURDAY 14 DECEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIB

## অসমত পূৰ্ণাংগ পুথিভঁৰালৰ প্ৰয়োজন আছে

খেলপথাৰত অনুষ্ঠিত হোৱা ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱ উদ্বোধন কৰি এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই। 'খোজ অসম'ৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থ মহোৎসৱৰ প্ৰৱেশদ্বাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পিছত ভাষণ প্ৰসংগত ড° হাজৰিকাই লগতে কয়— 'পুথিভঁৰাল সৃষ্টি কৰিলেই নহ'ব, পঢ়ুৱৈৰ সংখ্যা বাঢ়িব লাগিব। এইক্ষেত্ৰত অভিভাৱকসকলে নিজ নিজ সন্তানক কাষৰ পুথিভঁৰালসমূহলৈ যোৱাৰ ক্ষেত্ৰত অভ্যাস কৰিলে ইও এক গ্ৰন্থ অধ্যয়নৰ প্ৰধান উপাদেয়ক হ'ব। শিক্ষানুষ্ঠানসমূহে এসপ্তাহত এবাৰ হ'লেও পুথিভঁৰালত গ্ৰন্থ অধ্যয়নৰ শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে। সেয়া কাৰ্যত ৰূপায়ণ কৰিলে গ্ৰন্থ অধ্যয়নৰ অনিহা নোহোৱা হৈ পৰিব।' একেটা প্ৰসংগত অসম সাহিত্য সভাৰ সভাপতি ড° হাজৰিকাই কয়— 'বহিঃৰাষ্ট্ৰত পতা গ্ৰন্থমেলাসমূহত গ্ৰন্থ বিক্ৰী নহয়, গ্ৰন্থৰ স্বত্ব বিক্ৰী হয়। সেইবাবে গ্ৰন্থই বাণিজ্যিকৰণ হোৱা বুলি ক'ব পাৰি। ইতিমধ্যে দিল্লী আৰু কলকাতাত সেই আৰম্ভ হৈছে। অসমতো হোৱা উচিত।' ইফালে, নৱনিযুক্ত শক্তি, দক্ষতা বিকাশ আৰু উদ্যমিতা, নিয়োগ আৰু চিকিৎসাস শিক্ষা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে উপস্থিত থাকি গ্ৰন্থ মহোৎসৱৰ বন্তি প্ৰজ্বলন কৰে। ভাষণত মন্ত্ৰী ফুকনে কয় যে গ্ৰন্থমেলাৰ জৰিয়তে ভাষা চৰ্চা হয়। ক্ৰেতা-বিক্ৰেতাৰ সংমিশ্ৰণেৰে সুন্দৰ উপাদান ওলাই আহে। নতুন প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ স্পৃহা বৃদ্ধি কৰিব লাগিব বুলি উল্লেখ কৰি মন্ত্ৰী ফুকনে কয়— 'ডিজিটেল যুগত গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা হ্ৰাস পাই আহিছে।' ইফালে, ড° বিদিশা মহন্তৰ সম্পাদনাত প্ৰকাশিত ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱৰ স্মৃতিগ্ৰন্থ 'খোজ' উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° চন্দন শৰ্মাই। ইফালে, এই অনুষ্ঠানতে নৱনিযুক্ত মন্ত্ৰী প্ৰশান্ত ফুকনক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু ছাত্ৰ একতা সভাই যুটীয়াভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট ভাষাবিদ ড° ভীমকান্ত বৰুৱা, সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা জ্যোতি বৰগোহাঁই, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ, বিশিষ্ট শিল্পী ৰঞ্জু ভট্টাচাৰ্য, লেখিকা ড° ভাৰতী দত্ত, ঔপন্যাসিক জুৰি বৰা বৰগোহাঞিও, বিশিষ্ট চিকিৎসক ডাঃ নিৰ্মল কুমাৰ চাহেৱালা, সুৰভি সাহিত্য কুটীৰৰ স্বত্বাধিকাৰ শ্ৰীকান্ত ভৰালী আদিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্ধিয়াৰ ভাগত জ্যেষ্ঠ সাংবাদিক ভূষণজ্যোতি সন্দিকৈয়ে আঁত ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়।

বন্ধ কৰিব। মুছলমানৰ গো-মা
গো-পালন বন্ধ কৰিব খুজিছে।
প্ৰতিনিধি ভুবন পেগুক উদ্দে
কৰাৰ ক্ষেত্ৰত কিয় এওঁলো
বিক্ৰী বন্ধৰ নিষোধাজ্ঞা উঠাই
চালান বন্ধ কৰা, জনজাতীয়
আক্ৰমণ নকৰিবলৈ চৰকাৰৰ
কেবিনেটে গ্ৰহণ কৰা সিদ্ধা
হাততেই সকলো ক্ষমতা দি ৰা
এই পদ্ধতিৰ দ্বাৰা ভাৰতৰ
এই নতুন পদ্ধতি অনুসৰি
দলৰে চৰকাৰ হ'ব। শিৱসাগ
জনায় বিধায়ক অখিল গগৈয়ে
নলা-নৰ্দমা আহল- বহল কৰ
দুখন দলঙৰ ব্যৱস্থা, দুই-তিনি
প্ৰকল্পৰ আধাৰশিলা, ইঞ্জি
মহাবিদ্যালয়, ব্ৰহ্মপুত্ৰৰ প
কামত অনুমোদন, দৰিকা নদী
এটা প্ৰকল্প ল'বলৈ মুখ্যমন্ত্ৰী

## মাজুলীত নম

আৰক্ষীয়েই নহয়, অসম আৰ
হোৱাৰ পিছত গুৱাহাটীৰ